# ছয়দুৱাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠান

## আজি উন্মোচন হ'ব সুধাকণ্ঠৰ আৱক্ষ মূৰ্তি



প্ৰতিদিন বিশেষ সেৱা, ছয়দুৱাৰ, ৩১ অক্টোবৰ ঃ গহপুৰৰ ছয়দুৱাৰ মহাবিদ্যালয়ে স্থাপনৰ পঞ্চাশ বৰ্ষত উপনীত হোৱাৰ বাবে বছৰজোৰাকৈ উদ্‌যাপন কৰা সোণালী জয়ন্তী সমাৰোহৰ অন্তিম তথা মূল কাৰ্যসূচী ১ নৱেম্বৰৰ পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত হ'ব। প্ৰথম দিনা পুৱা নৱনিৰ্মিত ছাত্ৰ জিৰণি কোঠা আৰু ছাত্ৰ সংসদৰ কাৰ্যালয়ৰ দ্বাৰ উদ্‌ঘাটন কৰিব গহপুৰৰ বিধায়ক উৎপল বৰাই। ইয়াৰ পিচত নৱনিৰ্মিত কেণ্টিনৰ দ্বাৰ উদ্‌ঘাটন কৰিব ৰাজ্য চৰকাৰৰ বিষয়া ললিত গগৈয়ে। সুধাকণ্ঠৰ আৱক্ষ মূৰ্তি উদ্‌ঘাটন কৰিব আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন সঞ্চালক ড° সূৰ্য দাসে। গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰিব প্ৰাক্তন আৰক্ষী মহাপৰিদৰ্শক সত্যেন গগৈয়ে আৰু প্ৰদৰ্শনীৰ দ্বাৰ উদ্‌ঘাটন কৰিব বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰে। বিয়লি অনুষ্ঠিত হ'বলগা সম্বৰ্ধনা সভা উদ্বোধন কৰিব ৰাজ্যসভাৰ সাংসদ ৰিপুণ বৰাই। দ্বিতীয় দিনা পুৱা সাহিত্যিক য়েচে দৰজে ঠংচিৰ উপস্থিতিত গ্ৰন্থ উন্মোচনী সভা আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহ অনুষ্ঠিত হ'ব। তৃতীয় দিনা পুৱা সাংস্কৃতিক শোভাযাত্ৰা, বিয়লি অসম-অৰুণাচলৰ সাংস্কৃতিক বিনিময়মূলক অনুষ্ঠান আৰু নিশালৈ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। অন্তিম দিনা পুৱা প্ৰাক্তন অধ্যক্ষ তথা সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি গজেন বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগা মুকলি সভাত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি, মন্ত্ৰী ক্ৰমে হিমন্তবিশ্ব শৰ্মা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰঞ্জিত দত্ত, কেশৱ মহন্ত, পল্লৱলোচন দাস, সাংসদদ্বয় ৰিপুণ বৰা আৰু বিশ্বজিৎ দৈমাৰী, মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰী আৰু প্ৰাক্তন বিধায়িকা মণিকা বৰা বিশিষ্ট অতিথি, উপাচাৰ্য ড° মৃদুল হাজৰিকা, ড° ৰঞ্জিত তামুলী আৰু ভাৰত চৰকাৰৰ প্ৰধান আয়কৰ আয়ুক্ত হেমন্তবিজয় মহন্তই সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰিব। মুকলি সভা উদ্বোধন কৰিব বিধায়ক উৎপল বৰাই। উদযাপন সমিতিৰ প্ৰধান সম্পাদক ড° অঞ্জন কুমাৰ ওজাই জনাইছে যে সমাৰোহৰ সৌন্দৰ্যবৰ্ধনৰ বাবে মহাবিদ্যালয়ত থকা দুটা পুখুৰী খুনীয়াকৈ নিৰ্মাণ কৰা হৈছে। শিক্ষক-কৰ্মচাৰী গোটৰ পুঁজিৰে ২০ লাখ টকা ব্যয়সাপেক্ষে নতুন কেণ্টিন নিৰ্মাণ কৰা হৈছে, বিধায়ক পুঁজিৰে ছাত্ৰ জিৰণি কোঠা আৰু ছাত্ৰ সংসদৰ কাৰ্যালয় নিৰ্মাণ কৰা হৈছে। গহপুৰ নগৰ সমিতিৰ অনুদানেৰে সুধাকণ্ঠৰ আৱক্ষ মূৰ্তি নিৰ্মাণ কৰা হৈছে। ৰাজ্যৰ পাঁচখন গ্ৰন্থ বিপণী আৰু ত্ৰিশখন ষ্টলে প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিবলগীয়া সমাৰোহত স্মৃতিগ্ৰন্থৰ লগতে আন তিনিখন গ্ৰন্থও উন্মোচন হ'ব বুলি লগতে জনাইছে।